আনন্দৰাম মোৰ সম্মুখত সশৰীৰে হাজিৰ। অপৰিসীম আনন্দত মোৰ হিয়া কঁপিবলৈ ধৰিলে, মোৰ জীৱনৰ আৰাধ্য আনন্দৰামে মোৰে সৈতে নিসংকোচে কথাবাৰ্ত্তা পাতিছে, খাইছে-বইছে, যেন তেওঁৰ মোৰ ভিতৰত কোনো ভেদাভেদ নাই। মই সুধিলোঁ,—"বাৰু, আনন্দি, কোৱাঁ, তুমি এই অদ্ভুত নামটো কত পালা? গবৰ্ণমেণ্টৰ কৰ্ম্মচাৰীৰ নাম থকা কোনো চিভিল লিষ্টত এনে ধৰণৰ নাম ইতিপূৰ্ব্বে ওলোৱা নাই। মানুহে কয়—আই-চি-এচ পৰীক্ষাত বয়স লৈ যেতিয়া তোমাৰ গণ্ডগোল লাগে, তুমি বোলে কিবা উপায়েৰে সেই আপদৰ পৰা ৰক্ষা পালা? অৱশ্যে এই কথা ৰাষ্ট্ৰ কৰাৰ বাবে 'পায়নিয়াৰ' কাকত দায়ী।" এনেকৈ কৈ থাকোঁতে আনন্দৰাম হঠাৎ অন্তৰ্দ্ধান হল। মই কান্দি-কাটি অস্থিৰ,—"হে মোৰ বন্ধু আনন্দৰাম, তুমি মোক এৰি থৈ কলৈ পলালা?"

"এই দৰে দিন গৈছে ৰাতি আহিছে। কি উপায়! সেই একেটা নামে মোক দিনে-ৰাতি খেদিব লাগিছে। ই এটা প্ৰমাদ হে হল, এই নতুন ৰোগৰ কোনো প্ৰতিকাৰ নাই। ঠিক নাই, আজি বাদে কালি মই চকু মুদিব পাৰোঁ। মোৰ বন্ধু-বান্ধৱসকলে মোৰ মৈদামৰ ওপৰত এই কথা কিয়াষাৰ যেন লিখি থয়।—"এই মৈদামত সৰ্‌-সে-ছোট-পুৰৰ কবি অনন্ত শান্তিত নিমগন। এটা আপদীয়া নামে তেওঁক হত্যা কৰিছে। পথিক, অলপ পৰ ৰোৱা, আৰু এবাৰ উলটি-পালটি সেই অদ্ভুত নামটো পঢ়া,—আনন্দৰাম বৰুৱা, আনন্দৰাম বৰুৱা, আনন্দৰাম বৰুৱা।"

'বিবিধ গীতি' কিতাপ খনি মিঃ বৰুৱা ঢুকুৱাৰ ছ-বছৰৰ পাচত প্ৰকাশিত হৈছিল, কিন্তু 'আনন্দৰাম বৰুৱা' শীৰ্ষক কবিতাটি মিঃ বৰুৱাই আই-চি-এচ্‌ পাচ কৰাৰ অলপ পাচতে লিখা হৈছিল। বৰুৱাদেৱে কবিতাটি পঢ়িছিলনে নাই আমি ঠাৱৰ কৈ কব নোৱাৰিলোঁ। কিন্তু আমাৰ ধ্ৰুব বিশ্বাস কাব্য-প্ৰিয় বৰুৱাদেৱে কবিতাটি পঢ়া হলে হাঁহি সামৰিব নোৱাৰিলেহেঁতেন।

# শিৱসাগৰত মাজিষ্ট্ৰেট্

বিলাতৰ চিভিল চাৰ্ভিচ পৰীক্ষাত সম্মানেৰে উত্তীৰ্ণ হৈ আৰু ইংলণ্ডীয় সভ্যতাৰ সাৰধৰ্ম্ম শিকি-বুজি ১৮৭২ চনৰ চেপ্তেম্বৰ মাহৰ ৯ তাৰিখে আনন্দৰাম বৰুৱাই ভাৰতৰ বোম্বে বন্দৰত পদাৰ্পণ কৰেহি। তেওঁ পোনতে শিৱসাগৰ জিলাত ডেপুটী কমিচনাৰৰ এচিষ্টেণ্ট স্বৰূপে নিযুক্ত হয়। সুখ্যাতিৰে কৃতকাৰ্য্য হোৱা চিভিলিয়ানসকলে চেষ্টা কৰিলে নিজৰ ইচ্ছামতে প্ৰদেশ বাচি লব পাৰে। আনন্দৰামে আজি প্ৰায় আঠ বছৰ কাল নিজৰ জন্মভূমি আৰু আত্মীয়-স্বজনক ভালকৈ দেখা পোৱা নাই, সেই দেখি অসমৰ প্ৰাচীন ঠাই ৰংপুৰ বা শিৱসাগৰকে তেওঁ বাচি ললে। এই সময়তে মিঃ বৰুৱাই এটি সংস্কৃতৰ পৰীক্ষা দি তাত কৃতকাৰ্য্য হৈ গৱৰ্ণমেণ্টৰ পৰা দুহেজাৰ টকা বঁটা পায়।

বোম্বে এৰি আনন্দৰামে কিছুদিন কলিকতাত কাল কটায়, তাৰ পাচতহে শিৱসাগৰলৈ যাত্ৰা কৰে। যাওঁতে তেওঁ গুৱাহাটীত গোঁসাই পিতাকক দেখা কৰে। আনন্দৰামৰ কাৰণে দেউতাকে বেলেগ তম্বু কৰি থৈছিল। আনন্দৰামে পোনপ্ৰথমে দৰ্শন কৰি পিতাকৰ পদধূলি গ্ৰহণ কৰিলে। দেউতাকে কৃতী সন্তানক ইমান দিনৰ মূৰত দেখি আনন্দত বলীয়া হ'ল। সাদৰী সদৰামিন ডাঙৰীয়াই পুতেকক পৰাচিত কৰি পুনৰ নিজৰ সমাজলৈ আনিবলৈ বৰ হেপাহ কৰিছিল, আৰু সেই অৰ্থে পুতেকক ৰবকৈ টানি ধৰিছিল। কিন্তু বিবেকপন্থী আনন্দৰামে কেতিয়াও তাত মান্তি নহল। তেওঁ কলে,—"বিলাতত মই সজ্ঞানে নিজ ইচ্ছামতে অখাদ্য খাই আহিছোঁ, আৰু বিজাতীয় নিয়ম-নীতি পালি আহিছোঁ, এনে স্থলত মোৰ প্ৰকৃতপক্ষে প্ৰায়শ্চিত্ত হব নোৱাৰে। যদিহে

হয় তাৰ পৰা হিন্দুধৰ্ম্মৰ গৌৰৱ নেবাঢ়ে।” ইয়াৰ পৰা আনন্দৰামৰ স্বাধীনচিত্ততাৰ ভাল প্ৰমাণ পোৱা যায়। আনন্দৰামে অ'ক ক'লে,—“বিশেষতঃ, মোৰ যেনে চাকৰী, সদাই চাহাব-চুহাবৰ লগত খাই-বৈ মিলি-মিচি ফুৰিব লাগিব। এনে স্থলত নিতৌ পৰাচিত হলেহে মোৰ হব। তাৰ পিচত মোৰ আৰু এবাৰ বিলাতলৈ যাবৰ মন আছে, এনে দৈনন্দিন পৰাচিত মোৰ জীৱনে সহিব কেনেকৈ ?”

তাৰ পাচত বাপেকে পুতেকক বিয়া কৰিবলৈ কলে। আনন্দৰামে কলে,—“মোৰ ধন নাই, এই যাথোন চাকৰীত সোমাবলৈ গৈছোঁ।” পিতাকে,—“মোৰ এই অজস্ৰ ধন খায় কোনে ?” আনন্দৰামে কলে,—“নহয় দেউতা, সেই ধন আপোনাৰ বুঢ়া কালত লাগিব। তাক খৰছ কৰিব কেলেই ?” পিতাকে এই উত্তৰ শুনি ম্লান-মুখে ভিতৰলৈ গ'ল। আনন্দৰামে গৈ নিজৰ তম্বুৰ ভিতৰ সোমাল। বৃদ্ধ সদৰামিন ডাঙৰীয়াই ইমান হেপাহ ইমান হাবিয়াস ভাঙ্গি-ছিঙ্গি যোৱাত বৰ দুখ পালে। ইয়াৰ পাচত আৰু সৰহদিন তেওঁ জীয়াই নেথাকিল। আনন্দৰাম বৰুৱা শিৱসাগৰত থাকোঁতেই ১৮৭৩ চনত গৰ্গৰাম সদৰামিন ডাঙৰীয়া তিনি কুৰি ছবছৰ বয়সত পৰলোকলৈ গমন কৰে।

উত্তৰ গুৱাহাটীত আনন্দৰামক পাই বন্ধুবান্ধৱ তেওঁৰ চিনাকী আৰু অন্যান্য মানুহসকলে বৰ হেঁপাহেৰে তেওঁক বেৰি-ফুৰি চাবলৈ ধৰে, আৰু তেওঁলোকৰ মাজতে সৰুৰেপৰা ডাঙৰ দীঘল হোৱা আনন্দৰামে কীৰ্ত্তিমন্ত হৈ বিদেশৰ পৰা সুখ্যাতিৰ গৌৰৱেৰে স্বদেশলৈ উভতি আহিছে তাত তেওঁলোকেও গৌৰৱ অনুভৱ কৰিলে। তেওঁলোকে আনন্দৰামৰ পৰা বিলাতৰ বিষয়ে নানান কথা শুনে, আৰু তেওঁলোকে আনন্দৰামে বিলাতৰ পৰা অনা ছবিৰ এলবামখনি বৰ আগ্ৰহেৰে চায়। আমি শুনিছোঁ আনন্দৰামৰ আত্মীয়-কুটুম্বসকলে বৰ উলাহেৰে মজিন্দাৰ বৰুৱাৰ বংশধৰ এই বিলাত-ফেৰ্ত্তা হোজা মানুহজনক নিজৰ

ঘৰত কৰা পিঠা সান্দহ কৰাইগুৰি খুৱাই একেবাৰে জুলুম কৰি পেলাইছিল। বৰুৱাদেৱে কোনো কথাতে কাৰো ওপৰতে অসন্তুষ্ট নহৈছিল, বৰঞ্চ বিদেশী কৃত্রিম অস্বাভাৱিক চাল-চলনৰ পৰিবৰ্ত্তে সবল অসমীয়া জাতি-ভাইৰ আন্তৰিক স্নেহ আৰু সমাদৰৰ নিদৰ্শন পাই তেওঁ বৰ আনন্দ লাভ কৰিছিল। বিলাতৰ পৰা আহোঁতে তেওঁৰ নিজৰ ভায়েক আত্মাৰাম বৰুৱা আৰু কেশৱৰাম বৰুৱা, আৰু তেওঁ-লোকৰ পৰিয়ালৰ জীৱেশ্বৰ বৰুৱালৈ তিনিটি ভাল 'বানাট' কাপোৰেৰে কৰা সাজ লগত লৈ আহিছিল। নিজে কীৰ্ত্তিমন্ত পুৰুষ হৈয়ো নিজৰ বঙ্গহ পৰিয়াললৈ তেওঁ কাচিতো মৰম-দয়া নেৰিছিল।

কথিত আছে আনন্দৰামে পোনৰ বাৰ কলিকতাৰ পৰা অসমলৈ আহোঁতে তেওঁ অহা জাহাজৰ 'কেবিন'ত তেওঁৰ সৈতে এজন চাহাবৰ এটি উল্লেখযোগ্য ঘটনা হৈছিল। আমি শুনিছোঁ এই চাহাবজন কলি-কতাৰ সুপ্রসিদ্ধ জাহাজ কোম্পানী জাৰ্ দিন স্কিনাৰৰ তলতীয়া কৰ্ম্মচাৰী। মিঃ বৰুৱাই প্রথম শ্রেণীৰ টিকেট লৈ এটি 'কেবিন' অধিকাৰ কৰে, গুৱাহাটীৰ ঘাটত জাহাজ লগা ঠাইত কেবিন এৰি আন ঠাইলৈ যাওঁতে উক্ত চাহাবজনে বৰুৱাদেৱৰ মালপত্ৰবিলাক উলিয়াই থবলৈ কাববাৰ কৰে। বৰুৱাদেৱে এনে সময়তে নিজৰ কেবিনলৈ উভতি অহাত তেওঁক কৰবাৰ নগণ্য মানুহ বুলি ভাবি চাহাবজনে তেওঁক সেই খোটালী এৰি আন ঠাইলৈ যাবলৈ কয়, কিন্তু বৰুৱাদেৱে নিজৰ কেবিন এৰি যাবলৈ মান্তি নহল, তাতে দুয়োৰো ভিতৰত বৰ বাক্-বিতণ্ডা হয়। তাৰ পাচত হতাহতিও যোগে আৰম্ভ হল; কিন্তু বৰুৱাদেৱে পৰাস্ত নেমানিলে, আৰু নিজৰ খোটালী এৰি নগল। বৰুৱাদেৱৰ এনে স্বাধীন-চিত্ততা দেখি এওঁনো কোন জানিবলৈ চাহাবজনৰ বৰ কৌতুহল হ'ল। পিচত বেতিয়া তেওঁ গম পালে যে এওঁ এজন চিভিলিয়ান আৰু এচিষ্টেণ্ট মাজিষ্ট্ৰেট, তেতিয়া চাহাবজনে প্রকৃত বীৰৰ দৰে

নিজৰ দোষ স্বীকাৰ কৰি বৰুৱাদেৱৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে। অসমীয়া সাহিত্যত সুপৰিচিত 'চিন্তানল' আৰু 'গুটিদিয়েক চিন্তাৰ ঢৌ' প্ৰণেতা শ্ৰীযুক্ত কমলাকান্ত ভট্টাচাৰ্য্য সেই জাহাজত মিঃ বৰুৱাৰ সহযাত্ৰী আছিল, আৰু এই ঘটনাৰ কথা ভালকৈ কব পাৰিছিল।

১৮৭২ চনৰ ডিচেম্বৰ মাহত বৰুৱাদেৱে গৈ শিৱসাগৰ পায়হি, আৰু সেই মাহৰ ১১ তাৰিখে তেওঁ সৰ্ব্বপ্ৰথম অফিচলৈ যায়। শিৱসাগৰত মাজিষ্ট্ৰেট হৈ থাকোঁতে তেওঁ বৰ সৰলভাৱে চলন-ফুৰণ কৰিছিল, আৰু তেওঁ ইমান চৰ্কাৰী কামৰ উপৰিও পঢ়াশুনা কৰা অভ্যাস কেতিয়াও নেৰিছিল। এনে কি আজৰি পালে এজলাচতে বহি তেওঁ কিতাপ পঢ়িছিল। বিলাতফেৰ্ত্তা হৈয়ো তেওঁ চাহাবী সাজপাৰ পিন্ধিবলৈ ভাল নাপাইছিল। শিৱসাগৰত থকা কালত তেওঁ আমাৰ দেশীয় সাজপাৰ চোগা-চাপকনহে ব্যৱহাৰ কৰিছিল। আমি শুনিছোঁ, বিলাতত থাকোঁতেও বোলে এই দেশীয় সাজপাৰহে পিন্ধিছিল, আৰু ৰাতি শোওঁতে চাহাবৰ শয়ন-সজ্জাৰ সলনি তেওঁ চুৰিয়া পিন্ধিছিল।

মিঃ বৰুৱাই বৰ হেপাহেৰে নিজৰ জন্মভূমি অসমত চাকৰী কৰিবলৈ মন মেলিছিল, কিন্তু শিৱসাগৰত থাকোঁতে কিছুমান এনে ঘটনা ঘটিল যে স্বাধীন-চেতা বৰুৱাই তাত থাকিবলৈ ভাল নাপাই বঙ্গদেশলৈ বদলি হৈ যাবলৈ বাধ্য হ'ল। শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই এই বিষয়ে লিখা বহুমূলীয়া কথাখিনিকে আমি তলত তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।—

"আনন্দৰাম বৰুৱা শিৱসাগৰত থকাত এদিন তেওঁৰ বঙ্গলালৈ দিহিঙৰ বৰসাজতোলা দেখা কৰিবলৈ গৈছিল। দুয়ো দুখন চকিত বহি কথা-বতৰা পাতি আছিল, এনেতে ডেপুটী কমিচনাৰ কৰ্ণেল কেম্প্‌বেলকে আদি কৰি কেইজনমান চাহাব তেওঁৰ বঙ্গলাত ওলালগৈ। চাহাব বোৰ দেখিয়েই সাজতোলাদেৱক উঠিব খোজা দেখি বৰুৱাদেৱে

তেওঁক কলে,—"আপুনি স্বাধীন মানুহ কেলেই উঠিব, বহি থাকক।" ইপিনে তেওঁৰ তাত সৰহ চকি নথকাত নিজৰ খন চকি ডেপুটি কমিচনাৰক এৰি দি নিজে থিয় হৈ ৰ'ল; কেইজনমান চাহাবক চকি অনাই দিয়ালে, কিন্তু আৰু চকি নোহোৱাত কেইজনমান চাহাব যেজত ভৰদি থিয়দি থাকিল আৰু বহি থকা সাজতোলা জনৰ ফালে কেৰাহিকৈ চাবলৈ ধৰিলে। সাজতোলাজনে তাৰ পৰা উঠি লৰ মাৰিব পাৰিলে এতিয়া ৰক্ষা পৰে। কিন্তু বৰুৱাদেৱে চকুৰ ঠাৰেৰে সাহ দিয়াত যদিও তেওঁ বহি থাকিল, তথাপি ভয়ত ঘামিজামি নগুৰ-শাস্তি হল। চাহাব-সকল গুচি যোৱাৰ পাচত সাজতোলাই বৰুৱাদেৱক "ডাঙৰীয়া, আপোনাৰ ইয়ালৈ অহা বৰ বিপদৰ কথা; আমাৰ আৰু ইয়ালৈ অহা নহব," এই বুলি কৈ বিদায় ললে।

"তেওঁৰ প্ৰতি কথাতে তেওঁৰ মনৰ তেজ আৰু স্বাধীনতাৰ চিনাকী পোৱা যায়। তেওঁ অসম এৰি বঙ্গদেশলৈ যোৱাৰ কাৰণো এয়ে। শিৱসাগৰত এচিষ্টেণ্ট্ কমিচনাৰ হৈ থকা সময়ত কৰ্ণেল কেম্প্‌বেল তাত ডেপুটী কমিচনাৰ আছিল, আৰু লেফ্‌টেনেণ্ট্ গ্ৰে এচিষ্টেণ্ট্ কমিচনাৰ আছিল। পদত বৰুৱাদেৱ লেফ্‌টেনেণ্ট্ গ্ৰেৰ ওপৰত আছিল, সেইবাবে ডেপুটী কমিচনাৰ চকৰ ফুৰিবলৈ যাওঁতে জিলাৰ ভাৰ বৰুৱা-দেৱৰ গাত থাকে। এবাৰ ডেপুটি কমিচনাৰ বাহিৰত থকাত বৰুৱাদেৱে কিবা এটাত দোষ ধৰি গ্ৰে চাহাবৰ কৈফিয়ত খোজাত তেওঁ সেই কথাত অপমান বোধ কৰি ডেপুটি কমিচনাৰক জনোৱাত পাচৰ বাৰ ডেপুটি কমিচনাৰ চকৰ ফুৰিবলৈ যাওঁতে তেওঁ জিলাৰ ভাৰ বৰুৱাদেৱৰ গাত নিদি গ্ৰে চাহাবৰ গাত থৈ গ'ল। বৰুৱাদেৱে এই কথাত অপমান পাই গৱৰ্ণমেণ্টলৈ আবেদন কৰি বঙ্গদেশলৈ বদলি হৈ গুচি গল। তেতিয়াৰে পৰা আৰু তেওঁ অসমলৈ উলটি নাহিল। তেওঁ অলপ দিনৰ ভিতৰতে সৌজন্য গুণেৰে শিৱসাগৰৰ সকলো দেশী মানুহৰ মন মুগ্ধ কৰিছিল,

আৰু তেওঁ শিৱসাগৰ এৰি যাব লগা হোৱাত সকলোৰে আন্তৰিক দুখ পাইছিল।"

আনন্দৰাম বৰুৱাৰ গুৰু স্বৰ্গীয় চন্দ্ৰমোহন গোস্বামী ডাঙৰীয়াৰ মুখে আমি আৰু এটি ঘটনা শুনিছিলোঁ। কৰ্ণেল কিটিং চাহাব অসমৰ চিফ কমিচনাৰ হৈ থাকোঁতে এবাৰ শিৱসাগৰলৈ যায়। তাৰ পুলিচ চাহাবৰ তদাৰকত কৰ্ণেল কিটিঙৰ অভ্যৰ্থনাৰ কাৰণে বিশেষ আয়োজন হয়। এই অভ্যৰ্থনাৰ লগতে এটি ডিনাৰ-পাৰ্টি বা ভোজ দিয়া হয়। সেই ভোজলৈ সকলো চাহাব আৰু বিলাত-ফেৰ্ত্তা বা ইংৰাজী মতে চলা-ফিৰা কৰা ভাৰতীয়কো নিমন্ত্ৰণ কৰা হৈছিল। তালৈ অসমৰত্ন কৰ্ণেল জালনুৰ আলি আহমদ আই-এম্-এচ্ আৰু আনন্দৰাম বৰুৱায়ো নিমন্ত্ৰণ পাইছিল, কিন্তু আনন্দৰাম আৰু তেওঁৰ বন্ধু ডাক্তাৰ আহ্মদক চাহাবসকলৰ খানা খোৱা টেবিলৰ লগত নিদি সুকীয়াকৈ আসন দিয়া হৈছিল, তাতে মিঃ বৰুৱাই বৰ অপমান বোধ কৰে। অনুমান হয় এইবোৰ কাৰণতে তেওঁ আৰু অসমত থাকিবৰ মন নকৰিলে। ১৮৭৪ চনৰ এপ্ৰিল মাহত বৰুৱাদেৱ বঙ্গদেশলৈ একেবাৰে বদলি হৈ গ'ল।

আনন্দৰাম বৰুৱা শিৱসাগৰত থকা কালৰ বিষয়ে তেওঁৰ সমসাময়িক উপেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াই লিখিছিল, "আনন্দৰাম বৰুৱা গুৱাহাটীৰ পৰা উজাই আহি কেবাদিনৰ মূৰত শিৱসাগৰ পাই বৰপুখুৰীৰ পাৰত থকা ইংৰাজী মহলৰ চৰকাৰী ঘৰত থাকিবলৈ ললে। তাত তেওঁ পুৰা গধূলি লিখা-পঢ়া কাৰ্য্যত লাগি থাকে। এবাৰ বজাৰ পৰা চাৰিবজালৈকে কছাৰিৰ কাম কৰি ঘৰলৈ যায়। পাঁচমান বজাত অতি বিতোপন টাটু ঘোঁৰা এটাত উঠি চহিছটো লগত লৈ টুকটুক্ কৰে আহি দিখৌৰ পাৰঘাটত অলপ পৰ ঘোঁৰাৰ ওপৰতে থাকি চহিছটোৰে কিবা কথা পাতি বেলি পৰাৰ আগেয়ে পুখুৰীপাৰ পায়গৈ। তেতিয়া গা-গাৰি নাইকীয়া লাহি মানুহ আছিল। বয়স বিশ-বাইচ বছৰ, গোঁফ ঠুঠীগাইছিল। মুৰত

মখমলৰ টুপী পিন্ধা, চাহাবৰ টুপী নহয়। অসমীয়া মানুহে তেওঁক ঘৰত দেখা কৰিলে বৰ আদৰ-সম্ভাষণ কৰি ভাল সোধ-পোচ কৰিছিল। তেতিয়া শিৱসাগৰৰ ডেপুটি কমিচনাৰ কৰ্ণেল কেম্বেল চাহাব আছিল। কৰ্ণেল চাহাবৰ লগত মনোমালিন্ত হোৱাত বৰুৱা ডাঙৰীয়াই বঙ্গদেশলৈ বদলি হৈ গুচি যায়।”

শিৱসাগৰত থাকোঁতেই আনন্দৰাম বৰুৱাই সংস্কৃত অভিধান এখনি লিখাৰ সংকল্প কৰে আৰু সেই অনুষ্ঠানত তাতে থকা কালতে হাত দিবলৈ আৰম্ভ কৰে। এজন তেইচ-চব্বিশ বছৰীয়া ডেকাই এই হেন অভিধান সংকলন কৰাৰ নিচিনা মহৎ কাম হাতত লোৱাৰ দৃষ্টান্ত জগতৰ বুৰঞ্জীত নিতান্ত বিৰল। আনন্দৰাম বৰুৱাই তেওঁৰ অভিধানৰ প্ৰথম ভাগৰ পাতনিত বৰ বিনীতভাৱে স্বীকাৰ কৰিছে যে এনে এটি উদ্যাম তেওঁৰ পক্ষে ধৃষ্টতা বুলি কলেও সৰহ কোৱা নহয়, কিন্তু অন্যান্য কৃতবিদ্য পুৰুষ-সকলৰ সংস্কৃত অভিধান সংকলনৰ ফালে একেবাৰে কাণসাৰ নাই, সেই-দেখিহে তেওঁ এই কাম হাতত লবলৈ বাধ্য হৈছিল।

# বঙ্গৰ নানা ঠাইত

আনন্দৰাম বৰুৱা বঙ্গদেশলৈ গৈ পোনতে তেওঁ মৈমনসিংহ জিলাৰ এচিষ্টেণ্ট্ মাজিষ্ট্রেট আৰু কলেক্টৰ নিযুক্ত হয়। মৈমনসিংহত থকা কালত আনন্দৰাম বৰুৱাই সংস্কৃত অভিধান খনি সংকলন কৰা কাৰ্য্যত আৰু অগ্ৰসৰ হয়। এনে কি, অভিধান ওলালে তাক কিনোতা-সকলৰ নাম ইয়াতে গোটায়। যিসকল বিদ্যোৎসাহী ডাঙৰীয়াই তেওঁৰ অভিধান কিনিবলৈ আগবাঢ়ে তাৰ ভিতৰত সৰহ ভাগেই মৈমনসিংহৰ বাসিন্দাৰ, উকীল আৰু অন্যান্য কৰ্ম্মচাৰী। তাৰ ভিতৰত এই সকলৰ নাম উল্লেখযোগ্য,—লৰ্ড নৰ্থব্ৰুক, ভট্ট মোক্ষমূলাৰ, জজ ডবলিউ-জে-মণি চি-এচ-আই; কোচবেহাৰ ষ্টেটৰ মেনেজাৰ ই-এম-বেইলি; কুষ্টিয়া আৰু পাবনাৰ স্মলকজ-কোৰ্টৰ জজ্ মিষ্টাৰ এল-ডবলিউ-হাচিন্‌চন্; মৈমনসিংহৰ মাজিষ্ট্রেট কলেক্টৰ মিঃ আৰ-এইচ্-পোচি; কিশোৰীগঞ্জৰ ডেপুটী মাজিষ্ট্রেট্ ছৈয়দ মহম্মদ ইজ্‌বায়েস; মুক্তাগাছাৰ ৰামকিশোৰ আচাৰ্য্যৰ জমিদাৰীৰ তত্বাবধাবক বাবু বিপিনবিহাৰী মুখাৰ্জ্জী; মৈমনসিংহৰ উকীল বাবু চন্দ্ৰকুমাৰ ঘোষ, উকীল বাবু কালীশঙ্কৰ গুহ; মৌলবী হামিদউদ্দীন আহ্‌মদ; উকীল গঙ্গাদাস গুহ; উকীল শ্যামাচৰণ ৰায়; ত্ৰিপুৰাৰ মুন্সিফ বাবু অক্ষয়কুমাৰ বসু, এম্-এ, বি-এল; মৈমনসিংহৰ উকীল ৰাণেশ্বৰ পত্ৰনবিশ; উকীল বাবু শশীশঙ্কৰ চট্টোপাধ্যায়; মৈমনসিংহৰ গবৰ্ণমেণ্ট উকীল ঈশানচন্দ্ৰ চক্ৰবৰ্ত্তী; উকীল বাবু শ্যামাচৰণ চক্ৰবৰ্ত্তী; উকীল বাবু মহেন্দ্ৰচন্দ্ৰ মজুমদাৰ; মৈমনসিংহৰ হাইস্কুলৰ সুপ্ৰসিদ্ধ হেড্‌মাষ্টাৰ বাবু ৰত্নমণি গুপ্ত; মৈমনসিংহৰ জয়েণ্ট মাজিষ্ট্রেট্ জে-গ্ৰেট এম-এ; গয়াৰ চিভিল চাৰ্জ্জন মেজৰ জে-শ, এম্-ডি; নয়াডুমকাৰ চিভিল চাৰ্জ্জন জালমৰ আলি আহমদ এম-ডি; বহৰমপুৰৰ জমিদাৰ ৰামদাস সেন; পাবনাৰ

হেড্ক্লাৰ্ক মদনমোহন ৰায় ; বোম্বাইৰ চিভিলিয়ান শ্ৰীপদ বাবাজী ঠাকুৰ, মেঙ্গেলোৰৰ ৰামৰাও ; কলিকতা ইউনিভাৰ্চিটিৰ ফেকাল্‌টি অব্ আৰ্ট্‌চৰ সভাপতি ডাক্তাৰ কৃষ্ণমোহন বানাৰ্জ্জী ডি-এল্।

মৈমনসিংহৰ পৰা বৰুৱাদেৱ দিনাজপুৰলৈ বদলি হয়, তাৰ পিচত ১৮৭৭ চনত বৰ্দ্ধমানৰ এচিষ্টেণ্ট্ মাজিষ্ট্ৰেট নিযুক্ত হয়। এই বৰ্দ্ধমানত থাকোঁতেই তেওঁৰ অভিধানৰ প্ৰথম খণ্ড ১৮৭৭ চনৰ মে মাহত প্ৰকাশিত হয়। ইয়াৰ পূৰ্ব্বে তেওঁ ১ম খণ্ড অভিধানৰ ছপোৱা ৬৪ পৃষ্ঠালৈকে ভট্ট মোক্ষমূলাৰলৈ পঠিয়াই দিছিল। মোক্ষমূলাৰে এই কামত বিশেষ সহানুভূতি প্ৰকাশ কৰাত মিঃ বৰুৱা বৰ উৎসাহিত হৈছিল। বৰ্দ্ধমানৰ পৰা আনন্দৰাম বৰুৱা ৰাণীগঞ্জ মহকুমাৰ অধিপতি নিযুক্ত হয়। ইয়াৰ পৰাই তেওঁৰ 'জ্ঞানকীৰাম ভাষ্য'ৰে সৈতে কবি ভৱভূতিৰ "মহাবীৰচৰিত" নাটকৰ এটি সংস্কৰণ প্ৰকাশিত হয়। "কলিকতা ইউনিভাৰ্চিটিৰ সংস্কৃত পঢ়া আণ্ডাৰ-গ্ৰেজুয়েটসকলৰ সহচৰ" নামে গ্ৰন্থ এই বছৰতে মিঃ বৰুৱাই উলিয়ায়। ৰাণীগঞ্জৰ পৰা বৰ্দ্ধমান বিভাগৰ কটোৱা মহকুমাৰ অধিপতি হৈ তেওঁ বদলি হয়। তাৰ পিচত খুলনা মহকুমাৰ গৰাকী হয়। এই খুলনাৰ পৰাই ১৮৭৮ চনৰ ফেব্ৰুৱাৰী মাহত "সংস্কৃত সাহিত্যত ভৱভূতিৰ স্থান" নামে এখনি অতি উৎকৃষ্ট সমালোচনা গ্ৰন্থ প্ৰকাশিত হয়। মিঃ বৰুৱাই এইবোৰ সৰুসুৰা গ্ৰন্থ ৰচনাত ব্যস্ত আছিল বুলিও তেওঁৰ অভিধান সংকলনৰ কাম এৰি দিয়া নাছিল। কটোৱা, খুলনা আৰু জাহানাবাদ আদি ঠাইত থাকোঁতে তেওঁ এই অভিধানৰ কামত বৰ আগ্ৰহ আৰু মনোযোগেৰে অগ্ৰসৰ হৈছিল। চিভিলিয়ান কৰ্ম্মচাৰীৰ ইমান দায়িত্বপূৰ্ণ কাম-কাজৰ উপৰিও মিঃ বৰুৱাই এনে হাতভৰাকৈ সাহিত্য চৰ্চ্চা কৰিবলৈ পাৰিছিল ই অতি আচৰিত। সেই বুলি চৰ্কাৰী কামত তেওঁ কেতিয়াও আওকণীয়া নাছিল। ১৮৭৮ চনৰ অক্টোবৰ মাহত মিঃ বৰুৱাই গুৱালপাৰাত থাকোঁতে অভিধানৰ দ্বিতীয়

খণ্ড সমাপ্ত হয়। দ্বিতীয় খণ্ডৰ আগতে তেওঁ এখনি "উচ্চ সংস্কৃত ব্যাকৰণ" জুৰি দিছে, এই গ্ৰন্থ ৰচনা পিচ বছৰৰ মে মাহতে শেষ হয়।

১৮৭৯ চনৰ জুন মাহত জয়েণ্ট মাজিষ্ট্ৰেট্ আৰু ডেপুটি কলেক্টৰৰূপে মিঃ বৰুৱা দিনাজপুৰলৈ বদলি হয়, তাৰে পৰা ১৮৮০ চনত তেওঁৰ অভিধানৰ তৃতীয় খণ্ড প্ৰকাশিত হয়। এই অভিধানৰ "প্ৰাচীন ভাৰতৰ ভূগোল" নামে এখনি বহুমূলীয়া গ্ৰন্থ সংযোজিত হয়।

আনন্দৰাম বৰুৱাই চিভিলিয়ানৰূপে গৱৰ্ণমেণ্টৰ ওচৰত বিশেষ কাৰ্য্যকুশল কৰ্ম্মচাৰী বুলি সুখ্যাতি লাভ কৰে। সেই সময়ত ভাৰতবাসীৰ ভিতৰত কেইবাজনেও আই-চি-এচ্ পাছ কৰি গৱৰ্ণমেণ্টৰ তলত চাকৰি কৰিছিল। কিন্তু তাৰ সৰহ ভাগেই জজ্ বা এচিষ্টেণ্ট মাজিষ্ট্ৰেট্ স্বৰূপেহে কাম পাইছিল। ভাৰতৰ সৰ্ব্বপ্ৰথম চিভিলিয়ান, কবি ৰবীন্দ্ৰনাথৰ অগ্ৰজ মিঃ সত্যেন্দ্ৰনাথ ঠাকুৰেও জজ্ স্বৰূপে কামৰ পৰা অৱসৰ গ্ৰহণ কৰে। কোনো ভাৰতীয় কৰ্ম্মচাৰীয়ে তেতিয়ালৈকে কোনো জিলাৰ সম্পূৰ্ণ ভাৰ নিগাজীকৈ পোৱা নাছিল। এই বিষয়ে ভাৰতৰ সভামণ্ডপত আৰু কাকতে-পত্ৰে বিশেষ আন্দোলন চলিছিল। এংলো-ইণ্ডিয়ান কাগজ পত্ৰত ইয়াৰ বিৰুদ্ধে ৰব সমালোচনা চলিছিল। কিন্তু এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ ভিতৰতো জনচেৰেক উদাৰচেতা ৰাজপুৰুষ আছিল যি সকলে ভাৰতীয়ৰ ওপৰত জিলাৰ ভাৰ সমৰ্পণ কৰাৰ প্ৰস্তাব বিশেষকৈ সমৰ্থন কৰিছিল। তাৰ ভিতৰত ভাৰতৰ প্ৰাচীন তত্ত্ববিদ্ ভাষাপণ্ডিত চিভিলিয়ান চাৰ উইলিয়ম্ হাণ্টাৰৰ নাম সৰ লগীয়া।

বিলাতৰ পাৰ্লিয়ামেণ্টত ইল্‌বাৰ্ট চাহাবে তেওঁৰ যুগান্তকাৰী প্ৰস্তাব দাঙ্গি ধৰোঁতে চাৰ উইলিয়ম হাণ্টাৰে ১৮৮৩ চনত ইণ্ডিয়া কাউন্সিলত দিয়া বক্তৃতাত কৈছিল,—"ভাৰতবাসী চিভিলিয়ানসকল এতিয়া এনে অৱস্থালৈ আহিছে যে স্বাভাৱিক গতিত তেওঁলোক জিলাৰ ৰবচাহাব আৰু চেচন জজ্ হব লাগিবই; আমি তেওঁলোকক আযাৰে সৈতে একে

সৰু একে অধিকাৰ বুলি আশ্বাস দিছো, তথাপি তেওঁলোকৰ প্ৰাপ্য জিলাৰ ভাৰৰ পৰা তেওঁলোক বঞ্চিত হৈছে,—বিশেষতঃ যি জিলাত কোনো ইংলণ্ডীয়ৰ বেহা-বেপাৰ চলিছে বা যি জিলাতে নকৈ ইংলণ্ডীয় ব্যৱসায় কাৰবাৰ আহিছে। মই ইয়াত দুটা দৃষ্টান্তেৰে উদাহৰণ দিওঁ, এটা বেঙ্গলত, এটা বোম্বেত। যোৱা জানুৱাৰী মাহৰ ১৭ তাৰিখে এজন ভাৰতবাসী চিভিলিয়ান স্বাভাৱিক গতিতে প্ৰথম শ্ৰেণীৰ মাজিষ্ট্ৰেটৰ ক্ষমতাৰে সৈতে জইণ্ট মাজিষ্ট্ৰেটৰূপে ঢাকা হেন প্ৰধান ঠাইত নিযুক্ত হয়। সেই জানুৱাৰী মাহৰ ২৩ তাৰিখে তেওঁ বেঙ্গল গৱৰ্ণমেণ্টৰ পৰা এই মৰ্ম্মে এখন চিঠি পালে যে সেই হুকুম বন্ধ হ'ল। আৰু উক্ত ভাৰতীয় চিভিলিয়ানজনক এখন অনাগতিয়াল ঠাইলৈ বদলি কৰা হল, কাৰণ ঢাকা আৰু মৈমনসিং ৰেইলওৱে খোলাত ঢাকা জিলাতে কিছুমান ইউৰোপীয়ান আহিবলৈ ধৰিছে।"

এই দুজনীয়া ভাৰতবাসী চিভিলিয়ান জন আছিল মিঃ ৰমেশচন্দ্ৰ দত্ত। কিন্তু ইয়াৰ পূৰ্ব্বেই ভাৰতৰ দেশপ্ৰেমিক কৰ্ম্মীসকলৰ উৎকণ্ঠীয়া আন্দোলনৰ ফলস্বৰূপে ভাৰতীয়ক জিলাৰ ভাৰ দিবলৈ গৱৰ্ণমেণ্ট বাধ্য হয়। ভাৰতীয়ৰ ভিতৰত সৰ্ব্বপ্ৰথম আনন্দৰাম বৰুৱাই জিলাৰ ভাৰ প্ৰাপ্ত হয়। ১৮৮০ খৃষ্টাব্দত বাহচেৰেকৰ কাৰণে মিঃ বৰুৱাই দিনাজপুৰ জিলাৰ মাজিষ্ট্ৰেট আৰু কলেক্টৰৰ কাম কৰে। তাৰ পিচতহে ১৮৮১ চনত এমাহৰ কাৰণে মিঃ বিহাৰীলাল গুপ্তই ৰংপুৰ জিলাৰ ভাৰ পায়। মিঃ ৰমেশচন্দ্ৰ দত্তই ১৮৮১ চনত তিনি মাহৰ বাবে বাকুৰাত, আৰু ১৮৮১ চনত তিনি মাহৰ কাৰণে বালাসোৰত মাজিষ্ট্ৰেটৰ কাম কৰে। কিন্তু এই তিনি জন ভাৰতীয়ক এনে উচ্চ আসনত বহুৱাই গৱৰ্ণমেণ্টে যি পৰীক্ষা কৰিব খুজিছিল তেওঁলোকে সেই পৰীক্ষাত ভালকৈ উত্তীৰ্ণ হল। আৰু কতো একো কেৰোণ নলগাই মাজিষ্ট্ৰেটৰ কাম তেওঁলোকে সুকলমে সম্পাদন কৰে। ১৮৮২ চনৰ ডিচেম্বৰ মাহত গৱৰ্ণমেণ্টে

মিঃ বৰুৱা আৰু মিঃ ৰমেশচন্দ্ৰ দত্তক মাজিষ্ট্ৰেট কৰাৰ প্ৰস্তাৱ সমৰ্থন কৰি পত্ৰ লিখে। তেতিয়াৰে পৰা ভাৰতীয় চিভিলিয়ানে জিলাৰ সম্পূৰ্ণ ভাৰ পাই আহিছে। কিন্তু গৱৰ্ণমেন্টৰ এই নিয়োগ প্ৰণালীত এংলো-ইণ্ডিয়ান পত্ৰ আদি একেবাৰে জ্বলি উঠিল। তথাপি ভাৰতীয়ৰ উন্নতি কামনা কৰা গৱৰ্ণমেণ্ট স্থায্যমতে ভাৰতবাসীক উচ্চ পদৱী দিবলৈ নেৰিলে। আৰু আনন্দৰাম প্ৰমুখে ভাৰতীয় চিভিলিয়ানসকলে বিশেষ উপযুক্ত কৰ্মচাৰী হৈ ভাৰতবাসীৰ পক্ষে এই উচ্চ আসনৰ পথ মোকোলাই দিলে। তাৰ ফলে আজি ভাৰতবাসীসকল একেবাৰে নিঃসঙ্কোচ ভাবে হাইকোৰ্টৰ জজ্, ডিষ্ট্ৰীক্ট জজ্ আৰু মাজিষ্ট্ৰেট, বিভাগৰ কমিচনাৰ, একজিকিউটিভ কাউন্সিলৰ মেম্বৰ, বিলাতৰ ইণ্ডিয়া কাউন্সিল আৰু প্ৰিভি কাউন্সিলৰ সদস্য আৰু কেবিনেটৰ মেম্বৰ আৰু প্ৰদেশৰ শাসনকৰ্ত্তা নিযুক্ত হব লাগিছে।

সেই সময়ত ভাৰতমাতৃৰ বিশেষ সৌভাগ্য যে দুজন ভাৰতীয় চিভিলিয়ানে দায়িত্বপূৰ্ণ চৰ্কাৰী চাকৰিৰ উপৰিও ভাৰতৰ প্ৰাচীন বস্তু-বাজি পোহৰলৈ উলিওৱাত ধৰকৈ মন পাৰি লাগিছিল। মিঃ দত্তই ভাৰতৰ ইতিবৃত্ত জগতৰ আগত দাঙি ধৰিছিল, আৰু তেওঁৰ বন্ধু অসম-গৌৰৱ আনন্দৰাম বৰুৱাই সংস্কৃত সাহিত্যৰ সৌৰভ জগতবাসীক একাগ্ৰতীয়াকৈ বিলাইছিল। ইয়াৰ আগলৈকে আনন্দৰাম বৰুৱাই যাথোন অভিধান সংকলন আদি কামতে ব্যস্ত আছিল। তেওঁ এতিয়া ভাবিলে জগতৰ আগত সংস্কৃত সাহিত্যৰ গৌৰৱভাণ্ডাৰ মেলিবলৈ গলে অকল অভিধানেই যথেষ্ট নহয়। সেইদেখি তেওঁ এতিয়া এটি বৃহৎ কাম হাতত ললে। সংস্কৃত ভাষা, ধাতু, ছন্দ, অলঙ্কাৰ, ব্যাকৰণ, শব্দকোষ, ইত্যাদি নানান ভাগত ভগাই সংস্কৃত ভাষাৰ একেবাৰে আতিগুৰি মাৰি ভাক ফঁহিয়াই ফঁহিয়াই এখন বিৰাট গ্ৰন্থ লিখিবলৈ তেওঁ সঙ্কল্প কৰিলে। ইতিমধ্যে আনন্দৰামে ভাৰতৰ পণ্ডিতমণ্ডলী আৰু

ইউৰোপীয় বিদ্বান সমাজত বিশেষকৈ সমাদৰ লাভ কৰিছিল। সংস্কৃত সাহিত্যৰ ওজা ভট্ট মোক্ষমূলাৰ আৰু থিয়দাৰ গোল্ড্ষ্টাকাৰ প্ৰমুখ্যে ইউৰোপীয় পণ্ডিতসকলৰ পৰা মিঃ বৰুৱাই বিশেষ সম্মান পাইছিল। গতিকে তেওঁ দ্বিগুণ উৎসাহে এই বিৰাট গ্ৰন্থ সংকলনত মন পাৰি লাগিল।

কিন্তু এই হেন বিৰাট গ্ৰন্থ ৰচনা, এনে দায়িত্ব-পূৰ্ণ চৰ্কাৰী কাম কৰি সংকলন কৰাটো তেওঁ অসম্ভৱ ভাবিলে, সেই দেখি ১৮৮১ চনৰ মে মাহৰ ৩ তাৰিখৰ পৰা তেওঁ তিনি মাহৰ অনুগ্ৰহৰ বিদায় ললে। তেওঁৰ ইচ্ছা আছিল এই তিনি মাহৰ ছুটিতে সেই বিৰাট গ্ৰন্থৰ সূচনা কৰিব আৰু অন্যান্য পণ্ডিতৰ লগত আলোচনা কৰি মীমাংসা-সাপেক্ষ কথাবোৰ ঠিৰাং কৰিব। সেই অৰ্থে তেওঁ দিনাজপুৰ এৰি কলিকতালৈ আহিল। আহি তেওঁৰ বিলাতৰ বন্ধু চাৰ তাৰকনাথ পালিতৰ ঘৰত উঠিলহি। তেতিয়া চাৰ তাৰকনাথৰ ঘৰ মিৰ্জাপুৰতহে আছিল। বৰুৱাদেৱে ভাবিছিল যে ৰাজকাৰ্য্যত লাগি থাকি বা কলিকতা মহানগৰীৰ হুলস্থুলত পৰি গ্ৰন্থ ৰচনা বা তাৰ প্ৰণালী নিবন্ধন কৰাটো বিড়ম্বনা মাথোন। সেই দেখি তেওঁৰ কাৰণে এটি সুকীয়া ঘৰ কলিকতাত ঠিক কৰিবলৈ তেওঁৰ বন্ধু চাৰ তাৰকনাথক কলে। এই ঘৰটো কলিকতাৰ ২।১ নং বাগবাজাৰত আছিল। এই ঘৰত মিঃ বৰুৱাই 'মণিৰাম' নামে এটি ছপাখানা স্থাপন কৰে। এই ছপাখানা মাননীয় সুৰেন্দ্ৰনাথ বানাৰ্জ্জীৰ পৰা মণিৰামপুৰত কিনা দেখি, আৰু সেই নামে ভায়েক মণিৰামৰ নামো থকাত এই ছপাখানাৰ নাম 'মণিৰাম যন্ত্ৰ' থোৱা হল। পূৰ্ণচন্দ্ৰ চক্ৰবৰ্ত্তী নামে এজন পণ্ডিত মিঃ বৰুৱাৰ ছপাখানাৰ মেনেজাৰ আছিল। এই বাগবাজাৰৰ ঘৰত মিঃ বৰুৱাৰ নিযুক্ত পণ্ডিত সকল বাস কৰিছিল।

তাৰ পাচত মিঃ বৰুৱাই বন্ধুবৰ মিঃ বিহাৰীলাল গুপ্তৰ অৰিয়তে

বহৰমপুৰত এটি ঘৰ কিনে। এই ঘৰটি ৮০০০৲ টকা দি মিঃ বৰুৱাই স্নপট চিং ৰায়বাহাদুৰ নামে এজন মাৰোৱাৰীৰ পৰা কিনে। "অৰুণোদয় যন্ত্ৰ" নামে এটি ছপাখানা মিঃ বৰুৱাই ইয়াত স্থাপন কৰে। কামাখ্যা প্ৰসাদ গাঙ্গুলী ইয়াৰ পৰিচালক নিযুক্ত হয়। এই ঘৰ এতিয়া সুপ্ৰসিদ্ধ সদাগৰ শ্ৰীযুক্ত ভোলানাথ বৰুৱাৰ সম্পত্তি। এই ঘৰতে তাহানি ব্ৰহ্মা ৰজাৰ সেনাপতি বন্দুলাক বৃটিছে বন্দী কৰি থৈছিল। মিঃ বৰুৱাই পাচলৈ এই ঘৰটোৰ কাষৰত থকা মাটী দোখৰ ৰাণী স্বৰ্ণময়ীৰ পৰা কিনি তাত বাগান পাতিবলৈ ধৰিলে।

এই বাগানবাৰীত উৎকট পৰিশ্ৰম কৰি এই বিৰাট গ্ৰন্থ ৰচনা কামত তেওঁ অলপ অগ্ৰসৰ হল, অন্ততঃ তাৰ প্ৰণালীটো ঠিক কৰিলে। কিন্তু তেওঁ যি গ্ৰন্থ আদি বিচাৰিছিল সেইবোৰ গ্ৰন্থ তেওঁ কলিকতা সংস্কৃত কলেজৰ লাইব্ৰেৰীত বা অন্যান্য ঠাইত বিচাৰি নাপালে। বিলাতৰ বৃটিছ মিউজিয়মৰ প্ৰাচ্যবিভাগ আছে, তাত ভাৰত-সংক্ৰান্ত সকলো গ্ৰন্থ আৰু বিশেষকৈ সকলো সংস্কৃত গ্ৰন্থ ভঁড়ালত থৈ দিছে। তাৰ উপৰিও অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বডেলিয়ান্ লাইব্ৰেৰীত সংস্কৃত সাহিত্যৰ অক্ষয় ভঁড়াল আছে। বৃটিছ মিউজিয়মৰ প্ৰাচ্য বিভাগৰ তদানীন্তন অধ্যক্ষ মিঃ চেচিল্ বেণ্ডেল্ নিজে এজন সংস্কৃত সাহিত্যৰ ভক্ত।

আনন্দৰাম বৰুৱাই ভাবিলে যে বিলাতলৈ গলে এই গ্ৰন্থ ৰচনাত বিশেষ সুবিধা হব। বৃটিছ মিউজিয়ম আৰু বডেলিয়ান লাইব্ৰেৰীৰ অক্ষয় গ্ৰন্থভাণ্ডাৰ তেওঁ আলোচনাৰ কাৰণে হাতত পাব। তাৰ উপৰিও ভট্ট মোক্ষমূলাৰৰ পৰা বিশেষ সহায় আৰু দিহাপোহা পাব। ইত্যাদি কাৰণত তেওঁ বিলাতলৈ যোৱাটোকে ঠিক কৰিলে আৰু দুবছৰৰ ফাৰ্ল বা দীঘল বিদায়ৰ কাৰণে গবৰ্ণমেণ্টলৈ দৰ্খাস্ত দিলে।

আনন্দৰাম বৰুৱাৰ দৰ্খাস্ত মঞ্জুৰ হল। তেওঁ ১৮৮১ চনৰ ১৩ নবেম্বৰৰ পৰা আৰম্ভ কৰি দুবছৰৰ ফাৰ্ল পালে। তেওঁ ছুটি লৈ পোনতে

কিছুদিন সংস্কৃত চৰ্চাৰ কাৰণে বহৰমপুৰৰ বাগানবাৰীত গ্ৰন্থ ৰচনাত কটালে, আৰু তেওঁৰ বিৰাট গ্ৰন্থাৱলীৰ দশমভাগ অৰ্থাৎ পিঙ্গলসূত্ৰৰ ভাঙনি আৰু সমালোচনাৰে সৈতে সংস্কৃত ছন্দ বিষয়ক গ্ৰন্থখনি ১৮৮২ চনৰ অক্টোবৰ মাহত প্ৰকাশ কৰে আৰু গঙ্গানদীৰ বুকুতে এই কিতাপৰ পাতনি লিখে। আনন্দৰামে দেখিলে যে এই দৰে গ্ৰন্থ প্ৰকাশ কৰিবলৈ হলে নিজৰ ছপাখানা থাকিলে বহুত সুবিধা, সেই দেখি তেওঁ এটি বহুমূলীয়া ছপাখনা কিনি নিজৰ পুথি-পাঁজি ছপাবলৈ সুচল কৰি লৈছিল। আমি আগেয়ে কৈ আহিছো এই ছপাখনাৰ নাম তেওঁৰ ভায়েকৰ নাম অনুসৰি "মণিৰাম যন্ত্ৰ" থৈছিল। তাৰ পিচত তেওঁ বিলাতলৈ যাত্ৰা কৰে। তেওঁ বিলাতলৈ এই দ্বিতীয়বাৰ গৈ তাৰ দৃশ্য আদি চাই লাহবিলাহত মজি কাল কটাবলৈ ভাল নেপালে। পোনৰবাৰৰ দৰে এইবাৰো তেওঁ বিদ্যাৰ্থী হৈ বিলাতলৈ যাত্ৰা কৰিছিল। তেওঁ জাৰ্মানিৰ সংস্কৃত পণ্ডিত-সকলৰ লগত দেখা-সাক্ষাৎ কৰি তেওঁলোকৰ পৰা উপদেশ আৰু মন্তব্য বিনীতভাৱে গ্ৰহণ কৰি সংস্কৃত শব্দশাস্ত্ৰ আৰু ব্যাকৰণৰ আলোচনাত লাগিছিল। তাৰ পিচত বিলাতলৈ গৈ বৃটিছ মিউজিয়ম আৰু বডেলিয়ান লাইব্ৰেৰী আদিত সংস্কৃত সাহিত্য সংক্ৰান্ত সকলো গ্ৰন্থ পঢ়ি মেলি নিজৰ বিৰাট গ্ৰন্থ ৰচনাৰ সজুলি গোটাইছিল। এই উদ্যমত বৃটিছ মিউজিয়মৰ প্ৰাচ্যবিভাগৰ মিঃ চেচিল বেণ্ডেল আৰু বডেলিয়ান লাইব্ৰেৰীৰ লাইব্ৰেৰীয়ান মিঃ নিকল্চনৰ পৰা বিশেষ সহায় পাইছিল। এইবাৰ আৰু এজন সংস্কৃত সাহিত্যত সুপণ্ডিত ডাক্তাৰ ৰেইনল্ড-ৰষ্টে বৰুৱাক বিশেষ সহায় দিছিল। ডাক্তাৰ ৰষ্ট্ ইণ্ডিয়া অফিচৰ গাত লগা লাইব্ৰেৰীৰ অধ্যক্ষ আছিল। তেওঁ বৰুৱাৰ গ্ৰন্থ ৰচনাত নিতৌ সহায় কৰিবৰ মনেৰে তেওঁৰ হৈ পুৰণি কিতাপ আৰু হাতে-লিখা পুথি বিচাৰি উলিয়াই দিছিল। কৃতজ্ঞ বৰুৱাদেৱে এই তিনিজন সাহিত্যানুৰাগী পণ্ডিতলৈ বিশেষকৈ তেওঁৰ "নানাৰ্থ সংগ্ৰহ"ৰ পাতনিত কৃতজ্ঞতা জনাইছিল।

বিলাতত থকা কালত মিঃ বৰুৱাই অতিচাৰ পৰিশ্ৰম কৰিবলৈ বাধ্য হৈছিল। চিঠি পত্ৰ লিখা, কিতাপৰ নোট ৰখা আদি কাম তেওঁৰ ইমান গধুৰ হৈ পৰে যে তেওঁক সহায় কৰিবলৈ এগৰাকী ইংৰাজ মহিলাক নিজৰ প্ৰাইভেট চেক্ৰেটৰী ৰূপে নিযুক্ত কৰিবলৈ বাধ্য হৈছিল। তাৰ উপৰিও মিঃ বৰুৱাই অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ ঘনাই যাব লগা হৈছিল। সেই সময়ত অক্সফোৰ্ডত সংস্কৃত সাহিত্যাচাৰ্য্য ভট্ট মোক্ষমুলাৰ সংস্কৃতৰ অধ্যাপক আছিল, আৰু বৰুৱাদেৱক তেওঁ বিশেষকৈ সহায় কৰিছিল। ভট্ট মোক্ষমুলাৰে বৰুৱাদেৱৰ এই বৃহৎ অনুষ্ঠানৰ কথা শুনি আচৰিত মানিছিল আৰু কৈছিল,—"আপুনি সংস্কৃত ভাষাক নানান ভাগত ভগাই প্ৰতি ভাগকে পুঙ্খানুপুঙ্খকৈ আলোচনা কৰি যাৰ খণ্ডত যি বিৰাট গ্ৰন্থ লিখিবৰ আয়োজন কৰিছে, সি বাস্তবিকতে এটা অলৌকিক কাণ্ড। ইয়াৰ কেছোৱামান ওলালেও জগতৰ বিদ্বান সমাজৰ বিশেষ উপকাৰ হব, আৰু সংস্কৃত সাহিত্যৰ গৌৰৱ দহগুণ বাঢ়িব। এনে হেন গ্ৰন্থ সংকলন কৰি প্ৰকাশিত কৰা এজন পুৰুষৰ জীৱনৰ কায নহয়।"

মিঃ বৰুৱাৰ দ্বিতীয় বাৰ বিলাত প্ৰবাস কালত ভাৰতৰ সুপ্ৰসিদ্ধ বৈজ্ঞানিক স্বদেশহিতৈষী ঋষি চাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ে তেতিয়া লণ্ডন ইউনিভাৰ্চিটিৰ বিজ্ঞান-বিভাগত ৰসায়ন চৰ্চ্চা কৰিছিল। ডাঃ ৰায়ে মিঃ বৰুৱাক কেবাবাৰো লগ পাইছিল। ডাক্তাৰ ৰায়ে স্বৰচিত "হিন্দুৰসায়ন শাস্ত্ৰৰ বুৰঞ্জী"ত মিঃ বৰুৱাৰ গ্ৰন্থৰপৰা প্ৰমাণমূলক টোকা তুলি দিছে।

আনন্দৰাম বৰুৱাই ১৮৮৩ চনৰ চেপ্তেম্বৰ মাহলৈকে বিলাতত থাকে; তাৰ পাচত তেওঁৰ গ্ৰন্থৰ সকলো আহিলা-পাতি গোটাই লৈ পুনৰ ভাৰতলৈ যাত্ৰা কৰে আৰু ১৮৮৩ চনৰ অক্টোবৰ মাহৰ ১৩ তাৰিখে ভাৰতৰ উপকূলত পদাৰ্পণ কৰে। আকৌ এইবাৰ তেওঁ জয়েণ্ট মাজিষ্ট্ৰেট আৰু ডেপুটী কলেক্টৰ ৰূপে চট্টগ্ৰামত নিযুক্ত হয়। তাৰেপৰা তেওঁ "সৰস্বতী কণ্ঠাভৰণ" নামে ভোজৰাজ বিৰচিত অলঙ্কাৰ গ্ৰন্থৰ এখনি সটীক সংস্কৰণ

প্ৰকাশ কৰে। তাৰ পিচত তেওঁ যশোহৰলৈ বদলি হয়। আগৰ 'সৰস্বতী কণ্ঠাভৰণ'ৰ সংস্কৰণখন ডাঙৰ হোৱাত আৰু ভাটপাৰা আৰু মূলাজ্বৰ আদি সংস্কৃত শিক্ষাকেন্দ্ৰৰ ছাত্ৰসকলৰ কাৰণে তাৰ দাম কিছু পৰিমাণে অতিৰিক্ত হোৱাত মিঃ বৰুৱাই এখনি সৰু সংস্কৰণ যশোহৰৰ পৰা প্ৰকাশিত কৰে। তাৰ পিচত বৰুৱাদেৱ নোৱাখালীলৈ যায়।

---

# নোয়াখালীত মাজিষ্ট্ৰেট্

বহুত আন্দোলনৰ মূৰত ভাৰতবাসী চিভিলিয়ানসকলে কেনেকৈ জিলাৰ ভাৰ পাইছে আমি তাক ইতিপূৰ্ব্বে কৈ আহিছোঁ। ১৮৮৪ চনৰ মে মাহত আনন্দৰাম বৰুৱা নোৱাখালীৰ মাজিষ্ট্ৰেট্ নিযুক্ত হয়। ইয়াৰ আগেয়ে নোয়াখালীবাসীয়ে বৰুৱাদেৱৰ পাণ্ডিত্য আৰু সৌজন্যৰ কথা ভালকৈ শুনিছিল, আৰু এজন ভাৰতীয় তেওঁলোকৰ ৰৰচাহাব স্বৰূপে আহিব এই কথাত নোয়াখালীবাসী উত্ৰাৱল হ'ল। আনন্দৰাম বৰুৱাই নোয়াখালী জিলাৰ এলাকাত ভৰি দিয়া মাত্ৰকে ৰাইজে তেওঁক অভিনন্দন-পত্ৰ দি অভ্যৰ্থনা জনায়।

সেই সময়ত নোয়াখালীবাসীৰ ভিতৰত দলাদলিয়ে নোয়াখালীৰ উন্নতিৰ পথত বৰ অন্তৰায় ঘটাইছিল। উকীল আৰু চৰ্কাৰী কৰ্ম্মচাৰী-সকলৰ ভিতৰত বিশেষ মিলাপ্ৰীতি নাছিল। উকীলসকলে এঠাইত মিলি বাৰোয়াৰী দুৰ্গাপূজা কৰিছিল, মুন্সিফসকলে অন্যান্য ৰাজকৰ্ম্মচাৰী-সকলেৰে সৈতে আন এঠাইত পাতিছিল। তাৰ উপৰি জিলাৰ মাজিষ্ট্ৰেট চাহাবক কোনে বেচিকৈ সন্তোষ লগাব পাৰে সেই বিষয়ে সকলোৰ ভিতৰত ঘোৰ প্ৰতিযোগিতা চলিছিল। বৰুৱাৰ পূৰ্ব্বে নোয়াখালীত মিঃ কুক্ নামে এজন চাহাব মাজিষ্ট্ৰেট আছিল। কুক্ চাহাবক সন্তোষ দি তেওঁৰ পৰা ধন্যবাদ আৰু প্ৰশংসা লাভ কৰা চেষ্টা ইমান দূৰ আগ-বাঢ়িছিল যে কৰ্ম্মচাৰীসকলে নিজ পৈণীয়েকৰ হতুৱাই মিঠাই আদি তৈয়াৰ কৰি চাহাবলৈ উপহাৰ দি এই মৰ্ম্মেৰে চিঠি লিখিছিল,—"মোৰ আজলি পত্নীয়ে অনাহাৰে টোপনি কাতি কৰি অশেষ পৰিশ্ৰমেৰে নিজ হাতেৰে তৈয়াৰ কৰি হজুৰলৈ এই সামান্য জলপান পঠিয়াইছে। হজুৰে গ্ৰহণ নকৰিলে বেচাৰিৰ হৃদয় ছাৰখাৰ হব।" সিসকলৰ পত্নী মিষ্টান্ন

কৰাত পাকৈত নাছিল তেওঁলোকে দোকানৰ পৰা কিনি আনি নিজৰ তিকতাৰ হাতে কৰা বুলি গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি চাহাবলৈ পঠিয়াইছিল। নোয়াখালীৰ খাচমহলৰ মেনেজাৰ মৌলবী এজনে চাহাবক হাত কৰিবলৈ বৰ যত্ন কৰিছিল। দুৰ্ভাগ্যক্ৰমে তেওঁৰ সহধৰ্ম্মিণী নাছিল। এদিন তেওঁ কুক্ চাহাবৰ ভৰিৰ ওচৰত বহি জেপৰ পৰা পাটৰ ৰুমাল উলিয়াই চাহাবৰ ভৰিৰ জোখ ললে। চাহাব স্তম্ভিত হ'ল। মেনেজাৰে বুজাই দিলে,—"হজুৰৰ কাৰণে এজোৰ উলৰ জোতা কৰিবলৈ মোৰ ঘৰৰ পৰা হজুৰৰ স্থবৰ্ণ চৰণৰ জোখ বিচাৰিছে।" তাৰ পাচত মেনেজাৰে চিনা দোকানীৰ পৰা এজোৰ জোতা কিনি আনি আজলি ভনীয়েকৰ উপহাৰ বুলি চাহাবক দিলে। চাহাবে ধন্যবাদ দি আৰু শিপিনীৰ কাৰু-কাৰ্য্য প্ৰশংসা কৰি মেনেজাৰলৈ এখন দীঘল চিঠি লিখিলে। মেনেজাৰে সগৌৰৱে বন্ধুবান্ধৱক সেই পত্ৰ দেখুৱাবলৈ ধৰিলে। নোয়াখালীবাসীয়ে কিন্তু এই কথা ভালকৈ জানিছিল যে সেই মেনেজাৰ মৌলবীৰ ভনী এজনীও নাছিল।

আনন্দৰাম নোয়াখালীলৈ যোৱা শুনি নোয়াখালীবাসীয়ে স্থখৰ দিন আহিছে বুলি ভাবিলে। নোয়াখালীলৈ যাওঁতে তেওঁক যি অভিনন্দন পত্ৰ দিয়া হয় তাত এইবোৰ ভাব প্ৰকাশ পাইছিল,—নোয়াখালীৰ সন্তানসকলৰ মাজত বিবাদ বিসম্বাদ লগাত হুখুনী নোয়াখালী একেবাৰে ৰসাতললৈ গৈছে, আনন্দৰামৰ আগমনত নিৰানন্দ নোয়াখালীৰ অন্তৰত পুনৰ আনন্দৰ সোঁত বব।

নোয়াখালীবাসী এই আশাত বিফলমনোৰথ নহল। নোয়াখালীৰ উন্নতিৰ কাৰণে মিঃ বৰুৱাই অশেষ যত্ন কৰিছিল। নোয়াখালীলৈ অহাযোৱা স্থচল কৰিবৰ কাৰণে বৰিশাল আৰু নোয়াখালীৰ মাজত মিঃ বৰুৱাই কৰ্ত্তৃপক্ষৰ লগত লিখালিখি কৰি এখন জাহাজ চলায়,— সেই জাহাজ এতিয়াও চলিছে। পোনতে নোয়াখালীৰ ডিষ্ট্ৰিক্ট বোৰ্ডে

ষ্টীমাৰ কোম্পানীৰ সাহায্যৰ কাৰণে মাহে আঠ-শ টকা মঞ্জুৰ কৰে। কিন্তু সেই সাহায্য বেচি দিন দিব লগাত নপৰিল। অলপ দিনৰ মূৰতে ষ্টীমাৰ কোম্পানীৰ অজস্ৰ লাভ হল। তাহানি ১৮৪৬ চনত পোনতে অসমলৈ জাহাজ আহোঁতে নৈৰ দুই পাৰে মানুহবে দলদোপ-হেন্দোলদোপ হৈছিল, আৰু অজলা অসমীয়াই সেৱা-পূজাৰ সম্ভাৰ লৈ জাহাজৰ মহা-শক্তিৰ উদ্দেশ্যে পানীত পুষ্পাঞ্জলি অৰ্পণ কৰিছিল। সেইদৰে নোৱাখালীলৈ আৰু নোৱাখালীৰ পৰা ষ্টীমাৰ যাওঁতে বাটত বহুদূৰৰ মানুহ গোট খাই হৈ-ধ্বনি কৰি শঙ্খ কাঁহ ঘণ্টা বজাইছিল আৰু ষ্টীমাৰৰ অৰ্থে পূজা-পাটল দি সাষ্টাঙ্গে প্ৰণিপাত কৰিছিল। এনেকি জাহাজখন ভালকৈ চাই লবৰ মনেৰে চাবেঙ্গক ধন দি জাহাজ থমাবলৈ নাইবা লাহে-লাহে চলাবলৈ অনুৰোধ কৰিছিল। এইদৰে মিষ্টাৰ বৰুৱাৰ যত্নত নোৱাখালীত এটি নতুন যুগৰ প্ৰবৰ্ত্তন হয়।

নোৱাখালীৰ ৰাস্তাৰ কিনাৰৰ নৰ্দ্দমাবিলাকৰ বিশেষ সুবন্দোবস্ত নাছিল। ভাল নৰ্দ্দমা নোহোৱাত পানী আৰু মৰলা জমি তাৰ দুৰ্গন্ধ ওলাই সাধাৰণৰ স্বাস্থ্যহানি ঘটাইছিল। মিঃ বৰুৱাৰ দিনত সেই নৰ্দ্দমাবোৰৰ এনে উন্নতি হয় যে বাৰিষাৰ দিনতো এটোপা পানীও ক'তো নৰৈছিল। মিঃ বৰুৱাৰ দিনতে নোৱাখালীৰ পায়খানা প্ৰণালীৰো বিশেষ উন্নতি হয়। তাৰ প্ৰত্যেক পৰিয়ালৰ ঘৰৰ ওচৰতে এটা পুৰুষানুক্ৰমে গাত আছিল, তাতে সকলো মৰলা জমা হৈছিল। এই কুঁৱা পায়খানাৰ পৰা স্বাস্থ্যহানিৰ কিমান আশঙ্কা তাক নকলেও হব। মিঃ বৰুৱাই হুকুমজাৰী কৰি নোৱাখালীৰ মানুহৰ ঘৰে-ঘৰে আধুনিক প্ৰণালীৰ পায়খানা সজোৱায়, আৰু নোৱাখালীত মেটৰ নোহোৱাত বেহাৰৰ পৰা মেটৰ আনি চফা কৰা কামত লগাই দিয়ে।

এইবোৰৰ উপৰিও মিঃ বৰুৱাই নোৱাখালীৰ অন্যান্য উপকাৰ সাধি যায়। নৈৰ কিনাৰত থকা মাটী বা পানীৰ মাজৰ চৰৰ গৰাকী

আৰু খাজনা লৈ ৰাজস্ববিভাগত নানান জটিল প্ৰশ্ন উঠি থাকে। মাটী পানীৰ তলত পৰি অদৃশ্য হলেও প্ৰায় খাজনা দিব লগাত পৰিছিল। বৰুৱাৰ দিনত এই জলমগ্ন মাটী, নয়াবাদ, আৰু চৰৰ বিষয়ে এটি সবল মীমাংসা হয়; তাবপৰা দুখীয়া ৰায়তে বহুত নিস্তাৰ পায়। ইয়াৰ কাৰণে চট্টগ্ৰাম বিভাগৰ কমিচনাৰ লুইচ চাহাবৰ পৰা মিঃ বৰুৱাই বিশেষ প্ৰশংসা লাভ কৰে।

১৮৮৫ চনৰ এপ্ৰিল মাহৰ সাত তাৰিখে আনন্দৰাম বৰুৱা কলিকতা বিশ্ববিদ্যালয়ৰ 'ফেলো' বা সদস্য নিযুক্ত হয়। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ-সকলৰ এই বাচনি অতি উপযুক্ত হৈছিল, বিশ্ববিদ্যালয়ৰ সদস্য শাৰীত বহি শিক্ষা সাহিত্য আৰু ভাৰতীয় ছাত্ৰৰ উন্নতিৰ বিষয়ে আলোচনা কৰিবলৈ মিঃ বৰুৱাতকৈ উপযুক্তজন আন নাছিল। যি জনৰ গোটেই জীৱন জ্ঞান আৰ্জ্জনত অতিবাহিত হৈছিল, তেওঁ বিশ্ববিদ্যালয়ৰ জ্ঞান-মন্দিৰত আসন নোপোৱাটোহে বৰ আচৰিত কথা হলহেঁতেন। তেওঁক ফেকাল্‌টি অৱ্‌ আৰ্টচৰ সভ্য নিযুক্ত কৰা হয়। তেওঁ আজৰি পালে মফচলৰ পৰা আহি বিশ্ববিদ্যালয়ৰ আলোচনা আদিত যোগদান কৰিছিল; আৰু সেই ছলতে কলিকতা নগৰীত থকা মহামহোপাধ্যায় মহেশচন্দ্ৰ ন্যায়ৰত্ন, দেশপূজ্য ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, প্ৰত্নতত্ত্ববিদ্‌ ডাক্তাৰ ৰাজেন্দ্ৰলাল মিত্ৰ প্ৰমুখ্যে সংস্কৃত পাণ্ডিত্যৰ শিৰোমণিসকলক দেখা কৰিছিল। তাৰ লগে-লগে কলিকতাত থকা অসমীয়া ছাত্ৰৰ 'মেচ' বা ছাত্ৰাবাসলৈ গৈ তেওঁলোকক নানান প্ৰকাৰে উৎসাহ দিছিল। তেওঁ কলিকতালৈ আহি প্ৰায় ডেলহাউচি স্কোৱাৰত থকা গ্ৰেট ইষ্টাৰ্ণ হোটেলত বাস কৰিছিল। গধূলী হলে কলিকতাৰ পুৰণি কিতাপৰ দোকান বিলাকত ঘুৰা সাহিত্যসেৱী আৰু প্ৰাত্নিকসকলৰ বিশেষ আমোদৰ বস্তু। মিঃ বৰুৱাই কলিকতালৈ আহিলেই এই পুৰণা কিতাপৰ দোকানবিলাক ঘাটি ফুৰিছিল। মিঃ এস-চি-আড্ডৰ দোকানলৈ তেওঁ প্ৰায়ে গৈছিল।